যদি বিষয়টো তেনেকুৱাই হয় যিদৰে তুমি কৈছা, তেন্তে তুমি সিহঁতৰ প্ৰতি জ্বলন্ত ছাইহে নিক্ষেপ কৰি আছা। যেতিয়ালৈকে তুমি এই অৱস্থাত থাকিবা, সিহঁতৰ বিপক্ষে আল্লাহৰ ফালৰ পৰা তোমাৰ সৈতে এজন সহায়ক ফিৰিস্তা থাকিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, এজন ব্যক্তিয়ে ক'লেঃ হে আল্লাহৰ ৰাছুল! মোৰ কিছুমান আত্মীয় আছে যিসকলৰ সৈতে মই আত্মীয়তাৰ বন্ধন বজায় ৰাখিব বিচাৰোঁ কিন্তু সিহঁতে সেই বন্ধন ছিন্ন কৰে। মই সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰোঁ কিন্তু সিহঁতে মোৰ সৈতে বেয়া ব্যৱহাৰ কৰে। মই সিহঁতৰ সৈতে সহনশীলতা অৱলম্বন কৰোঁ কিন্তু সিহঁতে মোৰ সৈতে মূৰ্খতাসুলভ আচৰণ কৰে, (এনে স্থিতিত মই কি কৰা উচিত?)।
তেখেতে ক'লেঃ "যদি বিষয়টো তেনেকুৱাই হয় যিদৰে তুমি কৈছা, তেন্তে তুমি সিহঁতৰ প্ৰতি জ্বলন্ত ছাইহে নিক্ষেপ কৰি আছা। যেতিয়ালৈকে তুমি এই অৱস্থাত থাকিবা, সিহঁতৰ বিপক্ষে আল্লাহৰ ফালৰ পৰা তোমাৰ সৈতে এজন সহায়ক ফিৰিস্তা থাকিব।" [ছহীহ] [(মুছলিম)]

এজন ব্যক্তিয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত অভিযোগ কৰিলে যে, তেওঁৰ কিছুমান আত্মীয় আছে যিসকলৰ সৈতে তেওঁ ভাল ব্যৱহাৰ কৰে কিন্তু সিহঁতে তেওঁৰ সৈতে বেয়া ব্যৱহাৰ কৰে। তেওঁ সিহঁতৰ সৈতে আত্মীয়তাৰ বন্ধন বজায় ৰাখে কিন্তু সিহঁতে সেই বন্ধন ছিন্ন কৰে। তেওঁ সিহঁতৰ সৈতে সদ্ব্যৱহাৰ কৰে কিন্তু সিহঁতে তেওঁৰ সৈতে বেয়া আচৰণ কৰে। তেওঁ সহনশীলতা অৱলম্বন কৰে আৰু ক্ষমা কৰি দিয়ে কিন্তু সিহঁতে মূৰ্খতাসুলভ আচৰণ কৰে আৰু বেয়া ভাষা কয়। ইয়াৰ পিছতো সিহঁতৰ সৈতে আত্মীয়তাৰ বন্ধন অটুট ৰখা ঠিক হ'বনে? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কলেঃ 'যদি বিষয়টো সঁচাই এনেকুৱাই হয় যিদৰে তুমি কৈছা, তেন্তে তুমি সিহঁতক সিহঁতৰ মতে লাজত পেলাইছা আৰু সিহঁতক নিজৰ দৃষ্টিতে হেও প্ৰতিপন্ন কৰিবলৈ বাধ্য কৰাইছা, যেনিবা তুমি সিহঁতক গৰম ছাই খুৱাই আছা; কাৰণ তুমি বাৰে বাৰে সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰি আছা, বিপৰীতে সিহঁতে তোমাৰ সৈতে বেয়া আচৰণ কৰি নিজৰ দৃষ্টিতে অপমানিত হৈ আছে। এই ধাৰা অব্যাহত থাকিলে আল্লাহৰ ফালৰ পৰা তোমাৰ সৈতে এজন সহায়ক থাকিব, যিয়ে তোমাক সিহঁতৰ বেয়া প্ৰভাৱৰ পৰা ৰক্ষা কৰিব, যেতিয়ালৈকে তুমি সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰি থাকিবা, তথা সিহঁতে তোমাৰ সৈতে বেয়া ব্যৱহাৰ কৰি থাকিব।

http://sunnah.global/hadeeth/as/show/3863